# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-03-2024
**Time :** 1600 Hrs

## *Assamese Evening Bulletin*

– – – – – – – – – –

লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰখাৰ সমান্তৰালভাৱে জিলাসমূহত নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ কৰিছে। যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ত আজি জিলা প্ৰশাসন, আবকাৰী বিভাগ আৰু অনুজ্ঞা থকা বিলাতী সুৰা ব্যৱসায়ীসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী আচৰণ বিধি ৰূপায়ণৰ প্ৰতি লক্ষ্য ৰাখি জিলা আয়ুক্তই সুৰা ব্যৱসায়ীসকলক সতৰ্কতাৰে সকলো নীতি-নিয়ম মানি চলিবলৈ নিৰ্দেশ দিয়ে। নিৰ্ধাৰিত পৰিমাণতকৈ অধিক সুৰা বিক্ৰী কৰাৰ পৰা বিৰত থকা, ২১ বছৰ অনুৰ্ধ্বৰ লোকক সুৰা বিক্ৰী নকৰা, বিপণীসমূহৰ সন্মুখত সুৰাপানৰ অপকাৰিতা সম্পৰ্কে সতৰ্কতা বাণী লিখি ৰখাৰ লগতে সুৰা ব্যৱসায়ী প্ৰতিষ্ঠানসমূহ ২৪ ঘণ্টাই চিচিটিভি নিৰীক্ষণত ৰাখিবলৈ কোৱা হৈছে। জিলাখনৰ সীমান্তৱৰ্তী অঞ্চলসমূহৰ পৰা যাতে অবৈধ সুৰা চুবুৰীয়া ৰাজ্যলৈ সৰবৰাহ নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ আবকাৰী বিভাগক নিৰ্দেশ দিয়া হৈছে। এই বৈঠকত জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু আবকাৰী বিভাগৰ বিষয়াসকল উপস্থিত থাকে। যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ত আজি জিলাখনৰ নিৰ্বাচনত নিয়োজিত ৭০ গৰাকী মাইক্ৰ’ অবজাৰ্ভাৰক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণত বিষয়াসকলক নিজ নিজ এলেকাৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত বিদ্যুৎ সেৱা, শৌচাগাৰ, খোৱাপানী, আঁচবাব আৰু বিশেষভাৱে সক্ষম লোকসকলৰ বাবে পৰ্যাপ্ত সা-সুবিধা আছেনে নে নাই পৰ্যবেক্ষণ কৰিবলৈ আহ্বান জনায়। তদুপৰি ভোটগ্ৰহণ কেন্দ্ৰসমূহত ভোটদাতাসকলৰ ভোটৰ গোপনীয়তা ভংগ নোহোৱাটো নিশ্চিত কৰিবলৈও আহ্বান জনোৱা হৈছে। এই প্ৰশিক্ষণত ই ভি এমৰ ব্যৱহাৰ সন্দৰ্ভতো অৱগত কৰা হয়।

ইপিনে, গোলাঘাটৰ সৰুপথাৰত আজি আৰক্ষী নিৰীক্ষণকাৰী দলে অভিযান চলাই এজন ব্যৱসায়ীৰ পৰা নগদ ১০ লাখ টকা জব্দ কৰে। ব্যৱসায়ীজনে প্ৰয়োজনীয় নথি অবিহনে উৰিয়ামঘাট সীমান্তৰ কৰে ঘাটলৈ ধনখিনি সৰবৰাহৰ চেষ্টা কৰিছিল। আনহাতে, যোৰহাট লোকসভা সমষ্টিৰ আটাইকেইটা বিধানসভা সমষ্টিতে নিৰীক্ষণকাৰী দল আৰু ফ্লায়িং স্কোৱাডে অভিযান অব্যাহত ৰাখিছে। এই অভিযানত বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য আৰু নগদ ধন জব্দ কৰা হৈছে। এই সন্দৰ্ভত এখন উচ্চস্তৰীয় তদন্ত সমিতি গঠন কৰা হৈছে। সমিতিয়ে জব্দ কৰা ধনখিনি সন্দৰ্ভত তদন্ত কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। আৰক্ষীৰ বিশেষ টাস্ক ফ’ৰ্চে আজি গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ বিপৰীত দিশে থকা খানাপাৰা বাছ আস্থানত অভিযান চলাই মাদক দ্ৰব্যসহ তিনিটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত নাজিৰা বিধানসভা সমষ্টিৰ বিভিন্ন প্ৰান্তত ভাৰতীয় জাতীয় কংগ্ৰেছৰ যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি নিৰ্বাচনী প্ৰচাৰ চলায়। নিৰ্বাচনৰ প্ৰচাৰ চলাবলৈ আহি তেওঁ নাজিৰাৰ মেছাগড়ৰ মাধৱ মন্দিৰত আশিস গ্ৰহণ কৰে।

যোৰহাট লোকসভা সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে সমষ্টিটোত বিগত কেইটামান দিনত ব্যাপক ৰূপত নিৰ্বাচনী প্ৰচাৰ চলাইছে। এই প্ৰচাৰ অভিযানৰ অংশ হিচাপে আজি তেওঁ শিৱসাগৰ জিলাৰ চাৰিঙত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। আগন্তুক লোকসভা নিৰ্বাচনত বিজেপিক ভোট দি তেওঁক জয়যুক্ত কৰাৰ বাবে ৰাইজক আহ্বান জনায়। প্ৰচাৰ সভাত অংশগ্ৰহণ কৰা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযূষ হাজৰিকাই বিজেপি চৰকাৰৰ দিনত হোৱা বিভিন্ন উন্নয়নমূলক কামৰ খতিয়ান দাঙি ধৰে। উন্নয়নৰ এই গতিধাৰা অব্যাহত ৰখাৰ বাবে তেওঁ ৰাইজক পদুম ফুলৰ চিহ্নত সকলোকে ভোট দিবলৈ অনুৰোধ জনায়। সংবাদ মাধ্যমৰে সৈতে হোৱা কথা বতৰাত তপন কুমাৰ গগৈয়ে অহা ২৭ মাৰ্চত মনোনয়ন পত্ৰ দাখিল কৰিব বুলি জানিবলৈ দিয়ে। এই সভাখনত কেবিনেট মন্ত্ৰী পীযূষ হাজৰিকাৰ লগতে অজন্তা নেওগ, ৰাজ্যিক যুৱমৰ্চাৰ সভাপতি সিদ্ধাংকু অংকুৰ বৰুৱা, তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱলোচন দাস, কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, বিজেপি ৰাজ্যিক উপ-সভাপতি ৰাণা গোস্বামী, বিজেপি যুৱমৰ্চা যোৰহাট জিলাৰ সভাপতি পাৰ্শ্বজ্যোতি বৰা, অসম প্ৰদেশ ৰাজ্যিক যুৱমৰ্চা সাধাৰণ সম্পাদক তাপস কলিতা, সাধাৰণ সম্পাদক ত্ৰিদীপজ্যোতি মৰাণ, যোৰহাট জিলাৰ যুৱমৰ্চা প্ৰভাৰী ঈশান ভৰালী, অসম প্ৰদেশ যুৱমৰ্চা সম্পাদক নয়নজ্যোতি হাজৰিকাও উপস্থিত থাকে।

ইপিনে বাক্সা জিলাৰ বৰবৰীত আগন্তুক লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰচাৰ অভিযান আৰম্ভ হৈছে। কোকৰাঝৰ লোকসভা সমষ্টিৰ বাবে আজি বৰবৰীত নিৰ্বাচনী সভা অনুষ্ঠিত হয়। ইউপিপিএলৰ দিহিৰা ব্লক কমিটীৰ উদ্যোগত অনুষ্ঠিত এই নিৰ্বাচনী সভাত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো, প্ৰাৰ্থী জয়ন্ত বসুমতাৰীয়ে অংশগ্ৰহণ কৰে।

আগন্তুক লোকসভা নিৰ্বাচনৰ দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ কংগ্ৰেছ মিত্ৰজোঁটৰ প্ৰাৰ্থী মাধৱ ৰাজবংশীয়ে ৰঙিয়াৰ ৰাজীৱ ভৱনত দলীয় নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি প্ৰচাৰ কাৰ্যসূচীৰ আনুষ্ঠানিক উদ্বোধন কৰে।

০০০০০

সমাপ্ত